জাতীয়তাবাদ, মিথ্যা জনপ্ৰিয়তা অৰ্জন, গোষ্ঠীগত প্ৰভুত্বৰ বাসনা, ইত্যাদি।

ইয়াৰ ফলস্বৰূপে দশকৰ পাছত দশক ধৰি সমাজত চলি থকা গণতান্ত্ৰিক মূল্যবোধ, সমতাৰ ধাৰণা, মনৱাধিকাৰৰ প্ৰমূল্য আৰু ভাতৃত্বৰ এনাজৰী যেন ক'ৰবাত হেৰাই গ'ল। আনহাতে তথ্যৰ বস্তুনিষ্ঠ উপস্থাপন আৰু সত্যতা তথা সততাৰ বাৰ্তা প্ৰচাৰ কৰিবলৈ দায়বদ্ধ মূল সুঁতিৰ সংবাদ মাধ্যমসমূহৰ ভূমিকা বহু পৰিমাণে ম্লান হৈ পৰিল। এখন ৰাষ্ট্ৰীয় কাকতৰ সম্পাদকীয়ত সমস্যাটোৰ বিষয়ে এনেদৰে আঙুলিয়াই দিয়া হৈছে— 'অনিয়ন্ত্ৰিত সামাজিক মাধ্যমে এটা উৎকণ্ঠিত, আত্মবিশ্বাসবিহীন আৰু পিছুৱাই যাবলৈ উদ্যত প্ৰজন্মৰ সৃষ্টি কৰিবলৈ ওলাইছে, যিটো প্ৰকৃতাৰ্থত প্ৰচণ্ড সামাজিক বিশৃংখলতাৰ আগজাননী। সেয়েহে আমাৰ সমুখত আন এটা অন্ধকাৰ যুগৰ সূচনা হোৱাৰ পূৰ্বেই চৰকাৰে সামাজিক মাধ্যমৰ সংস্কাৰ সাধনৰ উদ্যম ল'ব লাগে।" (Manipulating Minds, The Times of India, ১২।১০।২০২০)।

বহুতে ভাবে, ইণ্টাৰনেটৰ জগতখনত দ্ৰুত হাৰত যিটো পৰিৱৰ্তন ঘটিছে, চৰকাৰে তৎপৰতাৰে তাৰ সন্মুখীন হ'ব পৰা নাই। এফালে চৰকাৰে বিচাৰে সাংখ্যিক ব্যৱসায়ী গোষ্ঠীবোৰে সমাজত শৃংখলা ৰক্ষাৰ বাবে সামগ্ৰীসমূহৰ সংগ্ৰহ আৰু বিতৰণত নিজেই মূল্যায়ন পদ্ধতি উদ্ভাৱন কৰা উচিত; আনফালে ব্যৱসায়ী গোষ্ঠীবোৰে ভাবে, মত প্ৰকাশৰ স্বাধীনতাৰ নামত তেওঁলোক সংযম ৰক্ষাৰ দায়বদ্ধতাৰপৰা মুক্ত। পিছে ভাৰতত ২০১৭ত সৰ্বোচ্চ ন্যায়ালয়ে গোপনীয়তা ৰক্ষা (Privacy) কৰাটো নাগৰিকৰ মৌলিক অধিকাৰৰূপে ঘোষণা কৰিছে, আৰু কোনো অজুহাতত ইণ্টাৰনেটৰ কোম্পানিবোৰে সেইটো আওকাণ কৰিব নোৱাৰে। এনে পটভূমিত ২০১৮ত ইউৰোপীয় ইউনিয়নে গ্ৰহণ কৰা 'General Data Protection Regulation'ৰ আৰ্হিত ভাৰততো সামাজিক মাধ্যমৰ উপভোক্তাসকলৰ মূল স্বাৰ্থসমূহ সুৰক্ষিত ৰখাৰ ব্যৱস্থা লোৱাটো সময়ৰ আহ্বান। লক্ষ্যণীয় যে অলপতে এই সমস্যা সন্দৰ্ভত ভাৰতৰ সংসদীয় প্ৰতিনিধিৰ দল এটাই ফে'ছবুক আৰু টুইটাৰকে ধৰি কেইবাটাও সামাজিক মঞ্চৰ বিষয়াৰপৰা প্ৰকৃত স্থিতি সন্দৰ্ভত ব্যাখ্যা বিচৰাই নহয়, কোম্পানিকেইটাক তেওঁলোকৰ আচৰণৰ বাবে জবাবদিহিও কৰিছে। কিন্তু ভাৰতৰ বাবে প্ৰয়োজনীয় হৈ পৰিছে এখন 'ব্যক্তিগত তথ্যৰ সুৰক্ষা' (Data Privacy Law) আইন। এতিয়ালৈকে চৰকাৰৰ হাতত আছে মাথোন '২০০০ৰ তথ্য-প্ৰযুক্তি আইন'; কিন্তু কোম্পানিবোৰক বা তেওঁলোকৰ অধীনৰ ক্ষুদ্ৰ গোটসমূহক উপভোক্তাৰ ব্যক্তিগত তথ্য সংগ্ৰহ কৰাৰ সন্দৰ্ভত জবাবদিহি কৰিব পৰা আইন নাই।

সি যিয়েই নহওক, **ইণ্টাৰনেটৰ মাধ্যমত এচাম লোকে, বিশেষকৈ যুৱ সম্প্ৰদায়ে অহৰহ নিজকে ব্যস্ত ৰাখিছে; তেওঁলোক সততে ব্যস্ত থাকে ফোনৰ বাৰ্তালাপত, ভিডিঅ'ৰ উপভোগত, ভিডিঅ' গে'মছৰ অংশগ্ৰহণত, বন্ধুবৰ্গৰ সৈতে আড্ডা দিয়াত, সামাজিক মাধ্যমত ইটোৰ পাছত সিটো মন্তব্য প্ৰকাশ কৰি, বা খ্যাতনামা ব্যক্তিসকলে যোগান ধৰা খাদ্য ভক্ষণ কৰি; তেওঁলোকৰ মনত বাতৰিকাকত বা আলোচনীৰ প্ৰবন্ধ এটা পঢ়াটোৱে অগ্ৰগণ্যতাৰ তালিকাত স্থান নোপোৱাটোৱেই স্বাভাৱিক।** তৎসত্বেও সেইটোকে আঙুলিয়াই দি বিশিষ্ট লেখক চেতন ভগতে ভাৰতীয় যুৱ সম্প্ৰদায়লৈ এখন মুকলি পত্ৰ যোগে আবেদন জনাইছে—স্মাৰ্ট ফোনটো দলিয়াই পেলোৱা, সেইটোৱে তোমাক ধ্বংস কৰিব (The 4 Gotten Generation, The Times of India, ২৪।১০।২০)।

চেতন ভগতৰ পত্ৰখন কিমানজনে পঢ়িবলৈ পাব, সেই সম্পৰ্কে সন্দেহ প্ৰকাশ কৰিও তেওঁ কৈছে যে তেওঁৰ চিঠিখন দৰকাৰী, আৰু সেইখন তেওঁলোকৰ জীৱনৰ বিষয়ে। স্মাৰ্ট ফোন হাতত ল'বলৈ সক্ষম হোৱা সৌভাগ্যশালী প্ৰথম প্ৰজন্মটোৱে জীৱনটোৰ অপব্যয় কৰিছে প্ৰতিদিনে ঘণ্টাৰ পাছত ঘণ্টা ধৰি স্মাৰ্ট ফোনত ব্যস্ত থাকি। যদিহে কোনোবাজনে দিনে ৫-৭ ঘণ্টা অপব্যয় কৰে, তেনেহ'লে তেওঁ জীৱনটোৰ এক-তৃতীয়াংশৰ অপচয় কৰে; অৰ্থাৎ ড্ৰাগছৰ দৰে ফোনৰ আসক্তিয়ে তেওঁৰ জীৱনৰ কিয়দংশ ধ্বংস কৰিব। সেইটোৱে জীৱনত প্ৰতিষ্ঠিত হোৱা লক্ষ্যৰপৰা বিচ্যুত কৰাই নহয়, মগজুতো খেলিমেলি লগায়। কথাবোৰ তেনেধৰণে চলি থাকিলে অচিৰেই ৰাষ্ট্ৰই লাভ কৰিব এটা লক্ষ্যবিহীন প্ৰজন্ম।

চেতন ভগতে তিনিটা আসোঁৱাহ স্পষ্টকৈ আঙুলিয়াই দিছে। (১) সময়ৰ অপব্যৱহাৰ, যি সময় তেওঁলোকে উৎপাদনশীল কামত ব্যৱহাৰ কৰিব পাৰিলেহেঁতেন। স্মাৰ্ট ফোনত কটোৱা সময়ৰপৰা তিনি ঘণ্টাও যদি নিজকে অধ্যয়নশীল আৰু স্বাস্থ্যৱান কৰি ৰখাত, বা এটা কৰ্মভিত্তিক কৌশল আহৰণ কৰাত, অথবা কোনো ব্যৱসায়িক উদ্যম হাতত লোৱাত ব্যৱহাৰ কৰিব পাৰে, তেনেহ'লে তেওঁলোকৰ জীৱন যাত্ৰাত কেনে ধৰণৰ উত্তৰণ ঘটিব, সেইটো কল্পনা কৰাও কঠিন। (২) জাবৰ-জোঁথৰ জাতীয় নিৰ্বোধ ইণ্টাৰনেটৰ সামগ্ৰীবোৰত ব্যস্ত থাকিলে মগজুৰ জ্ঞান অন্বেষণৰ স্পৃহা লোপ পায়। মনত ৰাখিব লাগে, আমাৰ মগজুৰ জ্ঞান অন্বেষণ আৰু আবেগিক ক্ষেত্ৰৰ মাজত সু-সমন্বয়ৰ সুফল হয়গৈ এটা সুন্দৰ মন। (৩) অহৰহ ম'বাইলৰ স্ক্ৰিনত দৃষ্টি নিবদ্ধ ৰাখিলে উদ্যম আৰু শক্তি ধ্বংসপ্ৰাপ্ত হয়। মূৰকত সেইটোৱে আত্মবিশ্বাস হৰণ কৰে।

বহুতে চেতন ভগতৰ এই পত্ৰখনক এগৰাকী অভিজ্ঞ শিক্ষকৰ পৰামৰ্শ বুলি গণ্য কৰিব পাৰে; সাম্প্ৰতিক সাংখ্যিক জগতখনৰ মাজত তেওঁৰ ধ্যান-ধাৰণা অনেকৰ বাবে নেতিবাচক যেন লাগিবও পাৰে। কিন্তু তেওঁ এনে এটা বিষয় উত্থাপন কৰিছে যিটো দেশৰ যুৱপ্ৰজন্মৰ বাবেই নহয়, ৰাষ্ট্ৰৰ ভৱিষ্যতৰ বাবেও অতিকৈ গুৰুত্বপূৰ্ণ। পত্ৰখন যুৱপ্ৰজন্মই পঢ়িবলৈ পাব নে নাপাব, সেই বিষয়ে সন্দেহ প্ৰকাশ কৰিও তেওঁ সামাজিক মাধ্যমৰ সংকটৰ এটা নতুন মাত্ৰা দাঙি ধৰিছে। সেইটো তাৎপৰ্যপূৰ্ণ। ইণ্টাৰনেট মাধ্যমৰ এশ এটা গুণৰ প্ৰশংসা কৰিও নাগৰিক সমাজে সংকটৰ বিভিন্ন মাত্ৰাৰ বিশ্লেষণ কৰাৰ আৱশ্যকতা আছে, সেইটো কোনোপধ্যে অস্বীকাৰ কৰিব নোৱাৰি।

ঠিকনা ঃ ১২, ডিম্বেশ্বৰ নেওগ পথ, আনন্দনগৰ, গুৱাহাটী-৭৮১০০৫, ফোন ঃ ৯৪৩৫৫৫৪২০৫

শ্ৰীমন্ত শঙ্কৰদেৱৰ বিশালায়তন সৃষ্টি সম্ভাৰৰ মাজত অন্তঃসলিলা ফল্গুৰ দৰে প্ৰৱাহিত মানৱীয় প্ৰমূল্য, নান্দনিক আৰু সামাজিক চিন্তাৰ দিশত নৱ দৃষ্টিপাত সম্বলিত

**প্ৰদীপ জ্যোতি মহন্তৰ**

**শঙ্কৰদেৱৰ শিল্পলোক ঃ**
**নান্দনিকতা আৰু সমাজদৰ্শিতা**

মূল্য ঃ ৩২৫ টকা

অসমৰ ভক্তি সংগীতৰ বিষয়ে ভিন্নসুৰী বিশ্লেষণ সম্বলিত অনন্য প্ৰবন্ধ সংকলন

**অসমৰ ভক্তি সংগীত ঃ**
**পৰম্পৰা আৰু পৰিবৰ্দ্ধন**

সম্পাদনা
**প্ৰদীপ জ্যোতি মহন্ত**

মূল্য ঃ ৩০০ টকা

এই কিতাপ দুখন ঘৰতে পাবলৈ হ'লে নাম ঠিকনাৰে সৈতে 9864043223 নম্বৰত WhatsApp কৰক।

**পূৰ্বাঞ্চল প্ৰকাশ**
ঘৰ নং-২, সেউজী পথ, ড° বি. এন. শইকীয়া পথ, ৰায়াৰলেছ, গুৱাহাটী-৬